# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time :** 1715 HRS

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ সৰুপথাৰত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। তেওঁ শিমলুচাপৰি প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় পাৰ কৰে। তেওঁ বৰপথাৰৰ মিঠা আম চাপৰি, শিমলুচাপৰি পৰিদৰ্শন কৰি নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ বান সাহায্য শিবিৰত থকা বানপীড়িত ৰাইজৰ খবৰ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বানপীড়িত লোকসকলক সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সঁফুৰা বৃত্তি পৰীক্ষা আৰু সঁফুৰা টেলেণ্ট ডিছক'ভাৰী এনিমেচনত কৃতিত্ব সহকাৰে বৃত্তি লাভ কৰা শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰসংগত মন্ত্ৰী ডাঃ পেগুৰে কয়, যে শিক্ষাৰ্থীসকলে প্ৰাথমিক পৰ্যায়ৰ পৰাই জ্ঞানৰ ভেটিটো শক্তিশালী ৰূপত গঢ়িব লাগে। এইক্ষেত্ৰত অভিভাৱক আৰু শিক্ষক সমাজে দায়বদ্ধতাৰে কাম কৰা বাঞ্ছনীয় বুলি তেওঁ কয়। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু বৌদ্ধিক বিকাশৰ বাবে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ তেওঁ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বন্দিতা ফুকনে মোবাইলৰ অপব্যৱহাৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বিৰত থাকিবলৈ আহ্বান জনায়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক, সঁফুৰাৰ মুখ্য সম্পাদক কুলধৰ শইকীয়াই শিক্ষাৰ্থীক উদ্দেশ্যি মনোগ্ৰাহী ভাষণ দিয়ে। এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই বৰ্ষত ৪৫ হাজাৰতৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে সঁফুৰা বৃত্তি পৰীক্ষা অৱতীৰ্ণ হৈছে।

০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - আই আই টি গুৱাহাটীৰ আজি ২৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠিত হয়। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযন্তা বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ড° ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকে। আই আই টি গুৱাহাটীৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত সমাৱৰ্তনত এইবেলি মুঠ ২ হেজাৰ ৯৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। সমাৱৰ্তনত এহেজাৰ ৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰী প্ৰদান কৰা হয়। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড০ শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪টা স্বৰ্ণ পদক প্ৰদান কৰা হয়।

০০০০০

বৰাক উপত্যকাত তিনিদিনীয়া ভ্ৰমণসূচীৰে উপস্থিত হোৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই আজি কাছাৰ জিলাত বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ জিলাখনত চলি থকা বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰে। প্ৰকল্পসমূহৰ কামৰ মান আৰু গতি পৰিদৰ্শন কৰি তেওঁ নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ সময়ত তেওঁ ৰাষ্ট্ৰীয় ঘাইপথৰ দলগুৰ মেৰামতিৰ কাম পৰিদৰ্শন কৰাৰ লগতে পাঁচগ্ৰাম কাগজকলৰ স্থান আৰু সম্ভাৱনাৰ বিষয়ে অৱগত হয়। ইয়াৰ লগতে তেওঁ পাঁচগ্ৰামত নিৰ্মীয়মান কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী যান-বাহন আৰক্ষীয়ে এন এছ্ এছ্ কৰ্মীসকলৰ সহযোগত আজি পথ সুৰক্ষা সজাগতাৰ বাবে এখন বাটৰ নাট পৰিৱেশন কৰে। ৮ জুলাইৰ পৰা হাটশিঙিমাৰী মহাবিদ্যালয়ৰ এন এছ্ এছ্ গোটে পথ সুৰক্ষা সম্পৰ্কীয় বিশেষ শিবিৰৰ আয়োজন কৰিছে। কাইলৈ এই শিবিৰৰ সামৰণি পৰিব। আজি এই নাট প্ৰদৰ্শনৰ সময়ত এন এছ্ এছৰ কাৰ্যবাহী বিষয়া ড° আবুল কৰিম শ্বেখ আৰু যান-বাহন আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত কুমাৰ ৰয় উপস্থিত আছিল।

০০০০০

কামৰূপ জিলাৰ দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ তত্বাৱধানত আৰু বকো ক্ৰীড়া সন্থাৰ উদ্যোগত আজি ১৫ বছৰ অনুৰ্ধ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। জিলাখনৰ কেইবাটাও দলে এই প্ৰতিযোগিতাত অংশ লৈছে। প্ৰতিযোগিতাৰ খেলসমূহ কামৰূপ জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত হ'ব। আজি ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদ সুমিত ৰাভা আৰু সমাজসেৱী মনোৰঞ্জন কলিতাই এই প্ৰতিযোগিতা উদ্বোধন কৰে।

০০০০০

সমাপ্ত